**প্ৰেছ বাৰ্তা**

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ**

**লক ডাউনৰ সময়ত গ্ৰাম্য দুখীয়া জনসাধাৰণলৈ জীৱিকা অৰ্জনৰ সুবিধা**

**জিলা উপায়ুক্তকে ধৰি বিভাগৰ ক্ষেত্ৰীয় বিষয়াসকলৰ লগত ভিডিঅ' কনফাৰেন্সৰ মাধ্যমেৰে বাৰ্তালাপ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেৰ**

## আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দুৰ্নীতি সহ্য কৰা নহ'ব বুলি মন্ত্ৰী দলেৰ সকিয়নি

**গুৱাহাটী ২০ এপ্ৰিলঃ** দেশ জুৰি চলি থকা লক ডাউনৰ সময়ছোৱাত গ্ৰাম্য দুখীয়া জনসাধাৰণক কিছু আৰ্থিক সকাহ দিয়াৰ অৰ্থে ভাৰত চৰকাৰৰ নিৰ্দেশনা অনুসৰি সংকট মুক্ত বুলি চিহ্নিত জিলাসমূহ অৰ্থাৎ গ্ৰীণ জ'নত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনি (এম জি এন ৰে গা), প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (পি এম এ ৱাই জি) আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এ এছ আৰ এল এম)ৰ অধীনত কাম আৰম্ভ কৰিবলৈ লৈছে অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে। এই সম্পৰ্কে সজাগ কৰাৰ লগতে বিভিন্ন জিলাত এই জটিল সময়ত লোৱা বিভিন্ন পদক্ষেপৰ বুজ লোৱাৰ অৰ্থে আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে জিলা উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু জিলা প্ৰকল্প প্ৰবন্ধকসকলৰ সৈতে এক ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে বাৰ্তালাপ কৰে।

বাৰ্তালাপৰ সময়ত এই প্ৰতিকূল পৰিস্থিতিটো বিভাগীয় বিষয়া-কৰ্মচাৰীৰ পৰা আত্মসহায়ক গোটলৈ সকলোৰে নিজ নিজ কৰ্তব্য নিষ্ঠাৰে পালন কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ কয় যে এই একাগ্ৰতাৰ মাজতো দুই এগৰাকী দুৰ্নীতি পৰায়ণ ব্যক্তিৰ বাবে আমাৰ দুখীয়া গ্ৰাম্য জনসাধাৰণে কিছু অসুবিধাৰ সন্মুখীন হোৱাটো উদ্বেগজনক। গতিকে মানৱতাৰ দৃষ্টি ভংগীৰে কামত অগ্ৰসৰ হ'বলৈ তেওঁ সকলোকে আহ্বান জনাই কয় যে এই কাৰ্যত দুৰ্নীতি কেতিয়াও সহ্য কৰা নহ'ব আৰু তেনে প্ৰমাণ পালে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

আত্মসহায়ক গোটসমূহে মিছন মোডত মাস্ক প্ৰস্তুত কৰি এতিয়ালৈ **৩** লাখৰো অধিক মাস্ক তৈয়াৰ কৰি ৫০ লাখতকৈও অধিক টকাৰ মাস্ক বিক্ৰী কৰিবলৈ সমৰ্থ হোৱাটো অতি আশাব্যঞ্জক কথা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে গোটৰ সকলো সদস্যাকে এই মাস্ক প্ৰস্তুতি অভিযানত অংশ লৈ নিজৰ জীৱিকা অৰ্জনৰ লগতে কৰ'না প্ৰতিৰোধী অভিযানৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়। তদুপৰি মাস্ক তৈয়াৰ কৰা আৰু বিক্ৰী কৰাৰ ক্ষেত্ৰতো এই গোটসমূহক সহায় কৰিবলৈ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

আনহাতে এম জি এন ৰে গাৰ বাবে মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ব্যক্তিগত সম্পদ সৃষ্টিত গুৰুত্ব দি প্ৰস্তুত কৰা মান সম্পন্ন পৰিচালন পদ্ধতি অৰ্থাৎ SOP মতে কামত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। কৰ্মস্থলীত শ্ৰমিকসকলৰ প্ৰত্যেকে যাতে মাস্ক পৰিধান কৰে তাৰ বাবে প্ৰতিখন পঞ্চায়তক আত্মসহায়ক গোটৰ পৰা মাস্ক কিনি শ্ৰমিকসকলক বিনামূলীয়াকৈ প্ৰদান কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। তদুপৰি কৰ্মস্থানত সামাজিক দূৰত্ব বজাই ৰখাটো বাধ্যতামূলক কৰাৰ লগতে সঘনাই হাত ধুবৰ বাবে চাবোন-পানীৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। পি এম এ ৱাই জিৰ ঘৰ নিৰ্মাণৰ ক্ষেত্ৰতো এই ব্যৱস্থা কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে।

বাৰ্তালাপত ভাগ লৈ ৰেড আৰু অৰেঞ্জ জ'নত থকা জিলাসমূহতো সংৰক্ষিত এলেকাসমূহৰ বাহিৰে অন্যান্য অঞ্চলত কাম আৰম্ভ কৰাৰ অনুমতি বিচৰাত এই বিষয়ে ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ লগত আলোচনা কৰি

জনোৰ হ’ব বুলি উল্লেখ কৰাৰ বিপৰীতে বিটিএডি এলেকাত নিৰ্বাচনী আচৰণ বিধি আৰম্ভ হোৱাৰ আগতে আৰম্ভ কৰা কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হয়।

ভিডিঅ’ কনফাৰেন্সত বিভাগৰ আয়ুক্ত হেমেন দাস আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়াকে ধৰি উচ্চ পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/২০-৪-২০২০*

*এম আৰ ডি/১৮-০৪-২০২০*